# হাঁহৰ খাদ্য


## পশু পুষ্টি বিভাগ, অসম কৃষি বিশ্ববিদ্যালয়

## খানাপাৰা


অসমৰ জলবায়ু আৰু প্ৰাকৃতিক পৰিবেশ হাঁহৰ বাবে অতিশয় অনুকুল। আমাৰ গাওঁ-চহৰৰ প্ৰায় ভাগ মানুহেই হাঁহৰ মাংস আৰু কণী খায়। কিন্তু বিজ্ঞানসন্মত হাঁহপালন কথাটো আমাৰ মুষ্টিমেয় ৰাইজৰ মাজতহে প্ৰচলন। মুৰ্গী পোহা নতুবা মুৰ্গী উৎপাদনৰ বিষয়ে আমাৰ ৰাইজে যিভাৱে জানে বা ইয়াৰ প্ৰতিপালনৰ বাবে যিদৰে চৰকাৰী বা বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানে প্ৰচাৰ কৰি সকলোকে অৱগত কৰিছে, তেনেকৈ হাঁহ পালনৰ ক্ষেত্ৰত ইয়াৰ প্ৰচাৰ বহুতখিনি কম। গতিকে আহকচোন, আমাৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ পশু পুষ্টি বিভাগৰ লগত চিনাকী হওঁকহি আৰু হাঁহৰ খাদ্য আদিৰ বিষয়েও ভূ লওঁক। বিজ্ঞান সন্মতভাৱে কেনেকৈ আৰু কি উপাদানেৰে দানা তৈয়াৰ কৰি আমি হাঁহ পুহি লাভবান হ'ব পাৰে তাৰ বাবে তলত দিয়া দানাৰ নমুনা কেইটি চকু ফুৰাই চাওঁক আৰু প্ৰকৃতভাৱে ব্যৱহাৰ কৰি আপুনি আৰু আপোনাৰ ওচৰে-পাজৰে থকা হাঁহপালকসকলক উপকৃত কৰক।

| খাদ্য সামগ্ৰীৰ নাম | সৰু পোৱালি হাঁহৰ বাবে (০-২ সপ্তাহ) | মজলীয়া হাঁহৰ বাবে (৩-৮ সপ্তাহ) | ডেকেৰুৱা পোৱালি (৯-২০ সপ্তাহ) | কণীপৰা হাঁহৰ বাবে | মতাহাঁহৰ বাবে |
|---|---|---|---|---|---|
| ১। মাকৈ বা গোমধানৰ গুড়ি | ৪০ | ৪৫ | ৩২ | ৪০ | ৩৫ |
| ২। চাউলৰ মল | ২০ | ২০ | ৩৫ | ২৫ | ৩০ |
| ৩। গমৰ ভূঁচি | ৫ | ৭ | ১৫ | ১৫ | ৭ |
| ৪। সৰিয়হৰ খলিহৈ | ২০ | ১৫ | ১০ | ১০ | ১৪ |
| ৫। শুকান মাছৰ গুড়ি | ১২ | ১০ | ৫ | ৫ | ৮ |
| ৬। হাড়ৰ গুড়ি | ০.৫০ | ০.৫০ | ০.৫০ | ১.২৫ | .০৭৫ |
| ৭। চূণশিল | ২ | ২ | ২ | ৩.২৫ | ৪.৫০ |
| ৮। নিমখ | ০.২৫ | ০.২৫ | ০.২৫ | ০.২৫ | ০.২৫ |
| ৯। খনিজ দ্ৰব্য ও খাদ্যপ্ৰাণ | ০.২৫ | ০.২৫ | ০.২৫ | ০.২৫ | ০.২৫ |
| | ১০০ ভাগ | ১০০ ভাগ | ১০০ ভাগ | ১০০ ভাগ | ১০০ ভাগ |

*****


**(উৎস ঃ অসম কৃষি বিশ্ববিদ্যালয়, খানাপাৰা, গুৱাহাটী২২)**